**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-JULY-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————————————————————————————————

ৰাজ্যত নতুন প্ৰাগজ্যোতিষ চিকিৎসা মহাবিদ্যালয়ৰ আসন বৃদ্ধিৰ ফলত চলিত শিক্ষাবৰ্ষৰ পৰা মৰান, মটক, টাই-আহোম, চুতীয়া আৰু কোচ ৰাজবংশী সম্প্ৰদায়ৰ বাবে থকা আসনৰ সংখ্যা এখনকৈ বৃদ্ধি কৰা হৈছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। মন্ত্ৰীসভাই কালি অসম চিকিৎসা মহাবিদ্যালয় আৰু দন্ত চিকিৎসা মহাবিদ্যালয়ত প্ৰথমবৰ্ষৰ এম বি বি এছ আৰু বিডিএছ পাঠ্যক্ৰমত নামভৰ্তি নিয়ন্ত্ৰণ অধিনিয়ম ২০১৭ৰ সংশোধনীত অনুমোদন জনায়। এই সংশোধনৰ ফলত মৰান আৰু মটক সম্প্ৰদায়ৰ আসনৰ সংখ্যা ৮ৰ পৰা ৯ খনকৈ, টাই-আহোমৰ ১০ৰপৰা ১১খন, চুতীয়াৰ ৯ৰ পৰা ১০খন আৰু কোচ-ৰাজবংশী সম্প্ৰদায়ৰ আসনৰ সংখ্যা ১৩ৰ পৰা ১৪খন হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হোৱা বুলি উল্লেখ কৰি কয় যে পানী হ্ৰাস পোৱাৰ ফলত এতিয়া শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অতি ভিতৰুৱা অঞ্চলসমূহলৈয়ো সাহাৰ্য্য সামগ্ৰী প্ৰেৰণ কৰিব পৰা যাব। বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত এই জিলা ২খনৰ বান ক্ষতিগ্ৰস্তসকলৰ বাবে চৰকাৰে ফেমিলি কিট বিতৰণৰ ব্যৱস্থা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

-বাইট- (মুখ্যমন্ত্ৰী)

ৰাজ্যিক মন্ত্ৰীসভাই আত্মসহায়ক গোটৰ মহিলাই ব্যক্তিগত ঋণৰ বাবদ ১০ লাখ টকা পৰ্যন্ত ষ্টাম্প ডিউটী ৰেহাই দিয়াৰ সিদ্ধান্তত অনুমোদন জনায়। ড০ শৰ্মাই কয় যে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ সদস্যাসকলে জীৱিকা আৰু উদ্যোগৰ উদ্দেশ্যে নিৰ্ধাৰিত বাণিজ্যিক বেংক, আঞ্চিলক গ্ৰামীণ বেংক, সমবায় বেংক অথবা ভাৰতীয় ৰিৰ্জাভ বেংকৰ নিয়ন্ত্ৰণাধীন অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ১০ লাখ টকালৈকে লোৱা ঋণৰ ষ্টাম শুল্ক ৰেহাই দিয়া হ'ব।

000000

প্ৰহ্লাদ যোশী দেশৰ পৰৱৰ্তী শিক্ষামন্ত্ৰী হ'ব। শ্ৰীযোশী বৰ্তমানৰ গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰীৰ উপৰি শিক্ষামন্ত্ৰীৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হৈছে। ইপিনে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ পৰা ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৬ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৰছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

00000

অসমৰ বান পৰিস্থিতি এতিয়াও শোচনীয় হৈ আছে। বানৰ কবলত পৰা জিলাকেইখনৰ কোনো কোনো অঞ্চলত পানী কমিবলৈ লৈছে যদিও ১২ খন জিলাৰ ৮৫৬ খন গাঁও বানত বুৰ গৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে। এইবাৰৰ বানত ৭ লাখ ৫১ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ১৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ছজন, চৰাইদেউত ৭ জন আৰু যোৰহাটত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬১ হৈছেগৈ।

000000

শিৱসাগৰ জিলা প্ৰশাসনৰ এগৰাকী কাৰ্যবাহী দণ্ডাধীশৰ নেতৃত্বত কালি খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়াসকলে জিলাখনৰ বিভিন্ন পাইকাৰী আৰু খুচুৰা বজাৰত আকস্মিক অভিযান চলায়। উল্লেখযোগ্য যে, চলিত বান পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি একাংশ অসাধু ব্যৱসাধীয়ে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি কৰাৰ অভিযোগ লাভ কৰাৰ পাছতেই এই অভিযান আৰম্ভ কৰা হয়। জিলা প্ৰশাসনে চলিত বান পৰিস্থিতিৰ সুযোগ লৈ অত্যাৱশ্যকীয়া সামগ্ৰীৰ মূল্য নীতি বহিঃৰ্ভূতভাৱে মজুত ৰখা আৰু আন কোনো অসাধু বাণিজ্যিক কাৰ্যকলাপত লিপ্ত নহ'বৰ বাবে পাইকাৰী আৰু খুচুৰা ব্যৱসায়ীসকলক আহ্বান জনাইছে। এনে কাৰ্যকলাপত জড়িত হোৱা ব্যক্তিৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও জিলা প্ৰশাসনে সকীয়াই দিছে।

0000000

বানৰ সময়ত বিভিন্ন অঞ্চলত বিদ্যুৎ যোগান ব্যাহত হোৱাৰ ফলত মোবাইল ফোন চাৰ্জ কৰাৰ সমস্যা সমাধানৰ উদ্দেশ্যে শিৱসাগৰৰ যুৱ উদ্ভাৱক অভিজিৎ দুৱাৰে নিজৰ মটৰ চাইকেলত সৌৰ ব্যৱস্থা সংযোগ কৰি এক চলন্ত চলাৰ মোবাইল চাৰ্জিং পইণ্ট নিৰ্মাণ কৰিছে। এই বিশেষ ব্যৱস্থাৰ জৰিয়তে উদ্ভাৱকগৰাকীয়ে বান প্ৰভাৱিত অঞ্চলসমূহলৈ গৈ জনসাধাৰণৰ বিনামূলীয়াকৈ মোবাইল ফোন চাৰ্জৰ সুবিধা প্ৰদান কৰিছে।

0000000

ডিব্ৰুগড় জিলাৰ সাৰ নগৰী নামৰূপৰ AVFCCLৰ প্ৰথম প্ৰতিষ্ঠা দিৱস উপলক্ষে কালি এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত নাহৰকটীয়া সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা তৰংগ গগৈ বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ মাজত বৈদ্যুতিক চাইকেল বিতৰণ কৰাৰ লগতে AVFCCLৰ এটা নতুন সন্মিলন কক্ষও মুকলি কৰা হয়।

000000

**সমাপ্ত**